**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-June-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন অসম মন্ত্ৰীসভাত স্থান লাভ কৰা ১২গৰাকী মন্ত্ৰীৰ আজি শপত গ্ৰহণ।

২। বিশ্ব পৰিৱেশ দিৱসৰ সৈতে সংগতি ৰাখি আজি ৰাজ্যত এক কোটি গছপুলি ৰোপণৰ লক্ষ্য নিৰ্ধাৰণ। ঠায়ে ঠায়ে বিভিন্ন কাৰ্যসূচীৰ আয়োজন।

৩। নৰেন্দ্ৰ মোদী চৰকাৰে উত্তৰ পূৰ্বাঞ্চলক সংঘৰ্ষৰ কেন্দ্ৰৰ পৰা সুযোগৰ কেন্দ্ৰলৈ ৰূপান্তৰিত কৰিলে বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ মন্তব্য।

৪। চৰকাৰী আঁচনিৰ সুবিধা লাভৰ বাবে উচ্চ শিক্ষা সঞ্চালকালয়ৰ ছাত্ৰ-ছাত্ৰীৰ আধাৰ কাৰ্ড আৰু আধাৰৰ সৈতে সংযুক্ত বেংক একাউণ্ট বাধ্যতামূলক।

*আৰু*

৫। ল'ৰাৰ ১৮ বছৰ অনুৰ্ধ এচিয়া কাপ হকী টুৰ্নামেণ্টৰ চেমিফাইনেলত আজি ভাৰত আৰু পাকিস্তান মুখামুখি।

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন অসম মন্ত্ৰীসভাত স্থান লাভ কৰা ১২গৰাকী মন্ত্ৰীয়ে আজি শপত গ্ৰহণ কৰিব। খানাপাৰাৰ জ্যোতিবিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত দিনৰ ১২ বাজি ৪৫ মিনিটত হ'বলগীয়া অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যই নতুন মন্ত্ৰীসকলক শপতবাক্য পাঠ কৰোৱাব।

মুখ্যমন্ত্ৰী ড° শৰ্মাই কালি সম্প্ৰসাৰিত মন্ত্ৰীসভাত স্থান লাভ কৰা এন ডি এৰ ১২গৰাকী বিধায়কৰ নাম আনুষ্ঠানিকভাৱে ঘোষণা কৰে। ইয়াৰে ১১ গৰাকী বিজেপিৰ আৰু এগৰাকী অসম গণ পৰিষদৰ। সম্প্ৰসাৰিত মন্ত্ৰীসভাত গোলকগঞ্জৰ অশ্বিনী ৰয় সৰকাৰ, ঢেকিয়াজুলিৰ অশোক সিংহল, টিংখাঙৰ বিমল বৰা, তামুলপুৰৰ বিশ্বজিৎ দৈমাৰী, নলবাৰীৰ জয়ন্ত মল্ল বৰুৱা, লক্ষীপুৰৰ কৌশিক ৰায়, কলিয়াবৰৰ বিধায়ক কেশৱ মহন্ত, পাথাৰকান্দিৰ কৃষ্ণেন্দু পাল, মঙলদৈৰ নীলিমা দেৱী, জাগীৰোডৰ পীযুষ হাজৰিকা, ধেমাজিৰ ডাঃ ৰণোজ পেগু আৰু ডিমৌৰ সুশান্ত বৰগোঁহাইয়ে স্থান লাভ কৰিছে। পুনৰবাৰ মন্ত্ৰিত্ব লাভ কৰা অসম গণ পৰিষদৰ কাৰ্যকৰী সভাপতি কেশৱ মহন্তই সাংবাদিকৰ আগত এনেদৰে নিজৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰে।

বাইট

০০০০০০

আজি বিশ্ব পৰিৱেশ দিৱস। পৃথিৱী আৰু প্ৰকৃতিক সুৰক্ষাৰ বাবে ইতিবাচক পৰিৱেশ সম্পৰ্কীয় কাৰ্যকৰী ব্যৱস্থা গ্ৰহণৰ বাবে বিশ্বজুৰি সজাগতা সৃষ্টিৰ লক্ষ্যৰে এই দিৱস পালন কৰা হয়। ১৯৭৩ চনৰ পৰা ৰাষ্ট্ৰসংঘৰ পৰিৱেশ কাৰ্যসূচীৰ অংশ হিচাপে প্ৰতিবছৰে ৫ জুনত এই দিৱস পালন কৰি অহা হৈছে। এইবাৰ দিৱসৰ বিষয়বস্তু হৈছে – 'প্ৰকৃতিৰ পৰা অনুপ্ৰেৰণা লাভ। আমাৰ জলবায়ু আৰু আমাৰ ভৱিষ্যতৰ বাবে'।

বিশ্ব পৰিৱেশ দিৱসৰ সৈতে সংগতি ৰাখি আজি ৰাজ্যত এক কোটি গছপুলি ৰোপণৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। আত্মসহায়ক গোটৰ ৩৫ লাখতকৈ অধিক মহিলাই এই অভিযানত অংশ ল'ব। ৰাজ্য চৰকাৰে বৃহৎ পৰিসৰৰ

বনানিকৰণ, স্বচ্ছ শক্তিৰ প্ৰসাৰ আৰু আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰৰ জৰিয়তে পৰিৱেশ সুৰক্ষা আৰু বহনক্ষম উন্নয়নক অগ্ৰাধিকাৰ দিয়াৰ বাবে এই পদক্ষেপ লৈছে।

সমগ্ৰ শিক্ষা অসমেও বিশ্ব পৰিবেশ দিৱসৰ সৈতে সংগতি ৰাখি কেতবোৰ কাৰ্যসূচী গ্ৰহণ কৰিবলৈ জিলাসমূহৰ জিলা মিছন সমন্বয়ক আৰু জিলা প্ৰাথমিক শিক্ষা বিষয়ালৈ পত্ৰ প্ৰেৰণ কৰিছে। এই অনুসৰি আজিৰে পৰা ৩০ জুনলৈ ইকো ক্লাব্‌ছ ফৰ মিছন লাইফৰ পৃষ্ঠপোষকতাত সেউজ গ্ৰীষ্ম শিবিৰৰ আয়োজন কৰা হৈছে। তদুপৰি প্ৰতিখন বিদ্যালয়ত 'মাতৃৰ নামত এজোপা গছ' শীৰ্ষক কাৰ্যসূচীৰ তৃতীয় সংস্কৰণ ৰূপায়ণ কৰা হ'ব। শিক্ষাৰ্থী, শিক্ষক আৰু অভিভাৱকৰ জৰিয়তে এইবাৰ ২৮ লাখ ৩৬ হাজাৰ ২৩২ টা গছপুলি ৰোপণৰ লক্ষ্য লোৱা হৈছে।

বিশ্ব পৰিৱেশ দিৱসৰ সৈতে সংগতি ৰাখি ডিব্ৰুগড়ত বন বিভাগ আৰু স্থানীয় ৰাইজৰ সহযোগত যোৱা ৩ জুনলৈ বিভিন্ন ঠাইত ১০ হাজাৰ গছপুলি ৰোপণ কৰা হয়। এই অভিযানত সেনা-জোৱান, প্ৰাক্তন সৈনিক, বন বিভাগৰ বিষয়া, এন চি চি কেডেট, বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, স্থানীয় সংগঠন আৰু স্বেচ্ছাসেৱকসকলে অংশগ্ৰহণ কৰে। গছপুলি ৰোপন কাৰ্যসূচীৰ সমান্তৰালভাৱে অনাময় অভিযানো চলোৱা হয়।

বিশ্ব পৰিবেশ দিৱস উপলক্ষে অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ শিৱসাগৰ আঞ্চলিক কাৰ্যালয়ৰ উদ্যোগত কালি শিৱসাগৰ নগৰত সজাগতামূলক বাটৰ নাট পৰিৱেশন কৰা হয়। ৰামধেনু নাট্যগোষ্ঠীয়ে পৰিবেশন কৰা নাটখনৰ জৰিয়তে প্লাষ্টিকৰ সীমিত ব্যৱহাৰ, সঠিক জাবৰ নিষ্কাষণ ব্যৱস্থা, প্ৰদূষণমুক্ত পৰিবেশ গঢ়ি তোলা আৰু গছপুলি ৰোপনৰ প্ৰয়োজনীয়তাৰ বিষয়ে জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি প্ৰয়াস কৰা হয়।

বিশ্ব পৰিবেশ দিৱসৰ সৈতে সংগতি ৰাখি দক্ষিণ শালমৰাৰ মানকাচৰ মহকুমাৰ ৩৫খন গাঁও পঞ্চায়তত গছপুলি ৰোপণ আৰু চাফাই অভিযান চলোৱা হৈছে। পাঁচদিনীয়াকৈ আয়োজন কৰা এই কাৰ্যসূচীত পঞ্চায়তৰ প্ৰতিনিধি, কৰ্মচাৰী আৰু স্থানীয় লোকৰ অংশগ্ৰহণেৰে ৰাজহুৱা স্থান, বিদ্যালয় চৌহদ আৰু পথৰ কাষত গছপুলি ৰোপন কৰা হৈছে।

চিৰাং জিলাৰ বন বিভাগে আজি ভাৰত-ভূটান সীমান্তৰ দেওশ্ৰী, ৰায়পুৰ, ছিক্‌নাঝাৰ ৰাষ্ট্ৰীয় উদ্যানৰ দাঁতিকাষৰীয়া অঞ্চলত বিশ্ব পৰিবেশ দিৱস উপলক্ষে বিশেষ কাৰ্যসূচীৰ আয়োজন কৰিছে। চিৰাং বন সংমণ্ডল বিষয়া কুঞ্জন বসুমতাৰীয়ে জনোৱা মতে জিলাখনৰ দুটা বিধানসভা সমষ্টি ছিদলী-চিৰাং আৰু বিজনীৰ বিধায়কক লৈ দুয়োটা সমষ্টিতে ৫ লাখকৈ গছপুলি ৰোপণৰ পৰিকল্পনা কৰা হৈছে। আজিৰ কাৰ্যসূচীত বি টি চিৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰী আৰু বি টি চিৰ বন বিভাগৰ কাৰ্যবাহী সদস্য পানীৰাম ব্ৰহ্ম উপস্থিত থাকিব।

oooooo

গুৱাহাটী মহানগৰীৰ জালুকবাৰীৰ জয়মতী নগৰত যোৱা নিশা সংঘটিত এটা ভয়ংকৰ অগ্নিকাণ্ডত পিতৃ-মাতৃসহ দুটি সন্তানৰ শোকাবহভাৱে মৃত্যু হয়। মৃত্যু হোৱা লোককেইজন গোৱালপাৰাৰ লক্ষিপুৰৰ বুলি জানিব পৰা গৈছে। শুই থকা অৱস্থাত জুইৰ লেলিহান শিখাই আগুৰি ধৰাৰ ফলত চাৰিওজনে জীৱন্তে অগ্নিদগ্ধ হৈ মৃত্যুক সাৱটি লয়। এই অগ্নিকাণ্ডত কেইবাটাও বাসগৃহ জুইত জাহ যায়। পিছত আৰক্ষী, অগ্নিনিৰ্বাপক বাহিনী আৰু এছ ডি আৰ এফৰ লোকে জুই নিৰ্বাপন কৰিবলৈ সমৰ্থ হয়।

oooooo

দেশৰ লোকপিয়ল ২০২৭ সফলভাৱে সম্পন্ন কৰাৰ লক্ষ্যৰে দক্ষিণ শালমাৰা-মানকাচৰ জিলা প্ৰশাসনৰ উদ্যোগত দুই জুনৰ পৰা অনুষ্ঠিত প্ৰথম পৰ্যায়ৰ গৃহ তালিকা আৰু গৃহ পিয়ল বিষয়ক জিলা পৰ্যায়ৰ প্ৰশিক্ষণ কাৰ্যসূচীৰ কালি সামৰণি পৰে। জিলা আয়ুক্ত কাৰ্যালয়ত অনুষ্ঠিত এই প্ৰশিক্ষণত জিলাখনৰ বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰীসকলে অংশগ্ৰহণ কৰে। কাৰ্যসূচীত লোকপিয়ল সুচাৰুৰূপে সম্পন্ন কৰাৰ লক্ষ্যৰে বৃহৎ তালিকাভুক্ত, গৃহ গণনা, তথ্য সংগ্ৰহ, নথিভুক্তকৰণ আৰু ডিজিটেল পদ্ধতিৰ ব্যৱহাৰ সন্দৰ্ভত প্ৰশিক্ষণ প্ৰদান কৰা হয়। প্ৰশিক্ষণৰ অন্তত জিলা প্ৰশাসনৰ

উদ্যোগত এখন সংবাদমেলো অনুষ্ঠিত হয়। সংবাদমেলত লোকপিয়লৰ দায়িত্বত থকা ভাৰতৰ উপ-মহাপঞ্জীয়ক ভাৰতী চান্দাই লোকপিয়ল সফলভাৱে সম্পন্ন কৰিবলৈ জনসাধাৰণৰ সম্পূৰ্ণ সহযোগিতাৰ বাবে আহ্বান জনায়।

০০০০০০

নৰেন্দ্ৰ মোদী চৰকাৰে উত্তৰ পূৰ্বাঞ্চলত হিংসাত্মক যুগৰ অন্ত পেলাই এই খণ্ডক সংঘৰ্ষৰ কেন্দ্ৰৰ পৰা সুযোগৰ কেন্দ্ৰলৈ ৰূপান্তৰিত কৰিলে বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰকাশ কৰিছে। শ্বিলঙত অনুষ্ঠিত উত্তৰ-পূব পৰিষদৰ ৭৩ সংখ্যক পূৰ্ণাংগ অধিবেশনত অধ্যক্ষতা কৰাৰ পাছত কালি সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীশ্বাহে কয় যে উত্তৰ-পূব পৰিষদে এই খণ্ডৰ উন্নয়নৰ বাবে কৌশলগত পৰিকল্পনা যুগুতোৱা প্ৰতিষ্ঠান হিচাপে সেৱা আগবঢ়াই আহিছে। তেওঁ লগতে এই পৰিষদে জনসাধাৰণৰ আকাংক্ষা পূৰণ কৰাৰ উপৰি উত্তৰ-পূৰ্বাঞ্চলৰ সংস্কৃতিৰ প্ৰসাৰ ঘটাইছে বুলি উল্লেখ কৰে। অনুষ্ঠানত অংশ লৈ ড'নাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই কয়, যে এখন শক্তিশালী আৰু সমৃদ্ধিশালী উত্তৰ পূৰ্বাঞ্চল গঢ়ি তোলাৰ সংকল্প পূৰণৰ বাবে সকলো নেতা একত্ৰিত হৈছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে বিকশিত ভাৰত গঢ়ি তোলাত অষ্টলক্ষ্মীৰ গুৰুত্বপূৰ্ণ ভূমিকা সন্দৰ্ভত আলোকপাত কৰে।

বাইট

অধিৱেশনত উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ ৰাজ্যপাল, মুখ্যমন্ত্ৰী আৰু নীতি নিৰ্মাতাসকলকে ধৰি বিশিষ্ট নেতাসকলে অংশগ্ৰহণ কৰে। সকলো নেতাই উত্তৰ পূৰ্বাঞ্চলৰ বিকাশ, যোগাযোগ আৰু সমৃদ্ধিৰ ক্ষেত্ৰত সমূহীয়া প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা দোহাৰে।

০০০০০০

চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশৰ লগতে ধেমাজি জিলাত  নেৰানেপেৰা বৰষুণৰ ফলত জোনাইত নাহৰ নৈয়ে ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। আমাৰ ধেমাজিৰ সংবাদদাতাই জনোৱা মতে নাহৰ নৈৰ বাঢ়নি পানীয়ে অঞ্চলটোৰ অমৰপুৰ পাংগিংগাঁৱৰ সমীপৰ মথাউৰিৰ প্ৰায় ৩০ মিটাৰ অংশ ছিঙি পেলোৱাত বিস্তীৰ্ণ অঞ্চল প্লাৱিত হৈ পৰিছে। বানত নাহৰ বিজুলী, নাহৰ বান্দনাকে ধৰি কেইবাখনো গাঁও জলমগ্ন হৈ পৰাৰ উপৰি খেতিপথাৰো ক্ষতিগ্ৰস্ত হৈছে। কালি নাহৰ নৈৰ ওপৰত থকা এখন বাঁহৰ দলঙেৰে  কেইবাগৰাকীও ছাত্ৰ-ছাত্ৰী গৈ থকা অৱস্থাত দলংখন হঠাৎ ভাগি পৰাত ছাত্ৰ-ছাত্ৰীকেইগৰাকী কথমপি ৰক্ষা পৰে।

ইপিনে, চিচিবৰগাঁও সমষ্টিৰ বিধায়ক জীৱন গগৈয়ে কালি ধেমাজি জিলাৰ সীমান্তৱৰ্তী মালিনীপুৰ পঞ্চায়তত বান আৰু খহনীয়া সমস্যাৰ বুজ লয়। মালিনীপুৰ পঞ্চায়তৰ মাজেৰে বৈ যোৱা ঘগ্ৰা নৈয়ে পকী দলঙৰ এটা মূৰ খহাই নিয়া অংশ পৰিদৰ্শন কৰি বিধায়কগৰাকীয়ে শীঘ্ৰেই ব্যৱস্থা ল'বলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে।

০০০০০০

উচ্চ শিক্ষা সঞ্চালকালয়ৰ অধীনত ৰূপায়িত চৰকাৰী আঁচনিসমূহৰ সুবিধা লাভ কৰাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলৰ আধাৰ কাৰ্ড আৰু আধাৰৰ সৈতে সংযুক্ত বেংক একাউণ্ট বাধ্যতামূলক কৰা হৈছে। এই সন্দৰ্ভত উচ্চ শিক্ষা সঞ্চালকালয়ৰ পৰা বিশ্ববিদ্যালয়সমূহৰ পঞ্জীয়ক আৰু মহাবিদ্যালয়সমূহৰ অধ্যক্ষলৈ পত্ৰ প্ৰেৰণ কৰা হৈছে। পত্ৰখনত উল্লেখ কৰা অনুসৰি মাচুল ৰেহাই আঁচনি, মুখ্যমন্ত্ৰী নিযুত মইনা আঁচনি আৰু মুখ্যমন্ত্ৰী নিযুত বাবু আচনিৰ সুবিধা লাভ কৰাৰ বাবে শিক্ষাৰ্থীৰ আধাৰ কাৰ্ড আৰু আধাৰৰ সৈতে সংযুক্ত বেংক একাউণ্ট বাধ্যতামূলক কৰা হৈছে। সেই অনুসৰি ছাত্ৰ-ছাত্ৰীৰ বৈধ আধাৰকাৰ্ড সম্পৰ্কীয় তথ্য সমৰ্থ প'ৰ্টেলৰ অন্তৰ্ভুক্ত কৰিবলৈ শিক্ষা প্ৰতিষ্ঠানসমূহক নিৰ্দেশ দিয়া হৈছে। আনহাতে আধাৰ কাৰ্ড নথকা ছাত্ৰ-ছাত্ৰীসকলৰ আধাৰ কাৰ্ড শীঘ্ৰেই প্ৰস্তুত হোৱাটো নিশ্চিত কৰিবলৈও শিক্ষা প্ৰতিষ্ঠানসমূহক নিৰ্দেশ দিয়া হৈছে।

০০০০০০

ডিব্রুগড় জিলা সাংবাদিক সন্থা আৰু বৃহত্তৰ ডিব্রুগড় প্ৰেছ ক্লাবৰ যৌথ উদ্যোগত জিলাখনৰ বিভিন্ন প্ৰান্তত ১০০ জোপা নাহৰৰ পুলি আৰু ফলমূলৰ গছৰ পুলি ৰোপণৰ লক্ষ্য লোৱা হৈছে। আজি পুৰা ডিব্রুগড় নগৰৰ চুকাফা সমন্বয় ক্ষেত্ৰত এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হ'ব। অনুষ্ঠানত ডিব্রুগড় পৌৰ নিগমৰ উপ-মেয়ৰ উজ্বল ফুকনৰ লগতে ডিব্রুগড় জিলা সাংবাদিক সন্থাৰ বিষয়াসকল উপস্থিত থাকিব।

০০০০০০

বিহালী সম-জিলা প্ৰশাসন আৰু ৰঙাগড়া চাহ বাগিচাৰ উদ্যোগত কালি অবৈধ সুৰা নিবাৰণ আৰু প্ৰতিৰোধৰ বাবে সজাগতা সভাৰ লগতে ভিন্নমুখী জীৱিকাৰ কৰ্মশালা সন্দৰ্ভত এখন সভা অনুষ্ঠিত হয়। বিহালী সমষ্টিত বহু লোকে অবৈধ সুৰাৰ বেপাৰ কৰি আহিছে। এই বেহা বন্ধ কৰি ইয়াৰ সৈতে জড়িত লোকসকলক অন্য জীৱিকাৰ পথ সন্দৰ্ভত বিশেষভাৱে অৱগত কৰোৱা হয়। অনুষ্ঠানত বিহালী সমজিলা আয়ুক্ত সবিতা কাকতি কোঁৱৰকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

০০০০০০

News Paper REV/5-6-26

**১২** জন নতুন মন্ত্ৰীৰে আজী অসম মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ ঘটিব। এই বাতৰিটো ভিন ভিন শিৰোনামেৰে আলোকচিত্ৰ সহকাৰে গুৱাহাটীৰ পৰা আজি প্ৰকাশিত আটাইকেইখন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। শ্বিলঙত কালি উত্তৰ-পূব পৰিষদৰ পূৰ্ণাংগ বৈঠক সম্পন্ন হোৱা বাতৰিটো **দি আছাম ট্ৰিবিউন**কে ধৰি প্ৰায় আটাইকেইখন কাকতে প্ৰথম পৃষ্ঠাত আলোকচিত্ৰ সহ প্ৰকাশ কৰিছে। অসম শক্তি বিতৰণ কোম্পানী লিমিটেডে প্ৰতি ইউনিটত বিদ্যুত মাচুল **১৬** পইচাৰ পৰা সৰ্বাধিক ২৮ পইচালৈ বৃদ্ধি কৰিছে। এই বাতৰিটো **অসমীয়া প্ৰতিদিন** কাকতে ধৰি প্ৰায় আটাইকেখন কাকতে গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে। গৃহ নিৰ্মান সামগ্ৰীৰ ব্যাপক মূল্যবৃদ্ধিৰ ফলত ফ্লেটৰ দাম বৃদ্ধি হব। এই বাতৰিটো **আমাৰ অসম** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। কাছাৰৰ ধৰমখালৰ ২০০ বিঘা ভূমিত সন্দেহযুক্ত বাংলাদেশীয়ে দখল কৰাৰ অভিযোগ উত্থাপন হৈছে। এই বাতৰিটো **দৈনিক অসম** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

অপাৰেচন দেলটা হান্ত অভিযানৰ অধীনত গুজৰাটত **৫০১** জৈন বাংলাদেশীক আটক কৰা হৈছে। এই বাতৰিটো **দৈনিক জনমভূমি** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

বেংগালুৰুৰ ৰাজেশ export নামৰ প্ৰতিষ্ঠানটোৰ সঞ্চালক ৰাজেশ মেহতা ক শ্বেয়াৰ বজাৰত **১৫** লাখ কোটি টকাৰ কেলেংকাৰিৰ অভিযোগত ছেবিয়ে নিষিদ্ধ ঘোষণা কৰিছে। এই বাতৰিটো **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। লোকসভাৰ সমষ্টিৰ পুনৰ নিৰ্ধাৰণৰ বাব কেন্দ্ৰীয় চৰকাৰ তৎপৰ হৈছে। এই বাতৰিটো **দৈনিক অগ্ৰদূত** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ৰাজ্যৰ বিদ্যালয় সমূহত শিক্ষাৰ্থীৰ উপস্থিতিৰ হাৰ ৮০% নিশ্চিত কৰাৰ লক্ষ্য লোৱাৰ

পাছতো উপস্থিতিৰ হাৰ হৈছে ৫১.৬৬%। এই বাতৰিটো **The Sentinel** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতক পৰ্যায়ৰ ১০ টা বিষয়ৰ পাঠ্যক্ৰম সাময়িকভাৱে বাতিল কৰা হৈছে। এই বাতৰিটো **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

০০০০০০

কামৰূপ জিলাৰ বকোত মীন আইন ভংগ কৰি ব্ৰহ্মপুত্ৰ নদত পোনা আৰু কণী থকা মাছ ধৰি অহা মাছমৰীয়াৰ বিৰুদ্ধে মীন বিভাগৰ নিৰ্দেশত এক বিশেষ অভিযান চলোৱা হয়। এই অভিযানত বিভিন্ন প্ৰকাৰৰ কেইবাখনো মাছধৰা জাল আৰু চেপা জব্দ কৰা হয়। কামৰূপৰ ছমৰীয়া সমষ্টিৰ গৰৈমাৰী উন্নয়ন খণ্ডৰ আচলপাৰা জিৰোৰ পৰা ব্ৰহ্মপুত্ৰত অভিযান চলোৱা হয়। অভিযানকাৰী দলটোৱে অবৈধভাৱে মাছ ধৰা কাৰ্যত জড়িত এজন লোককো আটক কৰে। উল্লেখযোগ্য যে, এক এপ্ৰিলৰ পৰা ১৫ জুলাইলৈকে নদীত মাছ ধৰা সম্পূৰ্ণৰূপে বন্ধ থাকে।

০০০০০০

ল'ৰাৰ ১৮ বছৰ অনুৰ্ধ এচিয়া কাপ হকী টুৰ্নামেণ্টৰ চেমিফাইনেলত আজি ভাৰত চিৰবৈৰী পাকিস্তানৰ মুখামুখি হ'ব। খেলখন জাপানৰ কাকামিগহৰা হকী ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। ইপিনে ছোৱালীৰ ১৮ বছৰ অনুৰ্ধ এচিয়া কাপৰ চেমি ফাইনেলত  আজি ভাৰত চীনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০

গুৱাহাটীৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰাংগনত অহা ৭ জুনৰ পুৱা ৬ বজাৰ পৰা ছানডেজ অন চাইকেল কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। বিশ্ব বাইচাইকেল দিৱস, ২০২৬-ৰ ৭৭ সংখ্যক সংস্কৰণৰ সৈতে সংগতি ৰাখি এই কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। জনসাধাৰণক এটা সুস্থ আৰু সক্ৰিয় জীৱনৰ বাবে উৎসাহিত কৰাৰ উদ্দেশ্যে ভাৰত চৰকাৰৰ ফিট ইণ্ডিয়া অভিযানৰ অধীনৰ নিয়মীয়াকৈ ছানডেজ অন চাইকেল কাৰ্যসূচী অনুষ্ঠিত হৈ আহিছে। কাৰ্যসূচীৰ অংশ হিচাপে চাইকেল সমদল, জুম্বা আৰু যোগ অনুশীলন আদি অনুষ্ঠিত হ'ব।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলৰ বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৫ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মণিপুৰৰ ঠাই বিশেষে পাতলীয়া পৰা মজলীয়া বৰষুণ পৰাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

*ঃঃ সমাপ্ত ঃঃ*